মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 26, 2024 ■ শুকুৰবাৰ।। ১৩ বহাগ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ১১৬ Guwahati, Assam ।। মূল্যঃ এটকা

## কৰ্মচাৰীক দিব পৰা নাই দৰমহা ■ 'এক্স'ৰ বিকল্প বুলি কৰিছিল দাবী

# মোদীৰ আশীষ ধন্য 'কু'ৰ দুৰ্দশা

**নতুন দিল্লী, ২৫ এপ্ৰিলঃ** আৰ্থিক সমস্যাৰ বাবে কৰ্মচাৰীক দৰমহা দিব পৰা নাই মাইক্ৰ'ব্লগিং এপ কু'ৱে। ভাৰতীয় কোম্পানীটোৱে শেহতীয়াকৈ প্ৰকাশ কৰা মতে, আৰ্থিক সংকটত ভুগি থকা বাবেই কোম্পানীটোৰ সকলো কৰ্মচাৰীৰ দৰমহা এই মাহত বন্ধ কৰি দিয়া হৈছে। উল্লেখ্য যে, 'এক্স' (পূৰ্বৰ টুইটাৰ)ৰ বিকল্প হিচাপে বিজেপি চৰকাৰে প্ৰচাৰ কৰিছিল কু' এপৰ। ২০২০ চনত টুইটাৰৰ সৈতে




ভাৰতৰ চৰকাৰৰ সংঘাতৰ সময়ত নৰেন্দ্ৰ মোদী চৰকাৰে কিছুমান একাউণ্ট ব্লক কৰিবলৈ অনুৰোধ জনোৱাৰ পিছত যথেষ্ট চৰ্চা লাভ কৰিছিল মোদী চৰকাৰৰ আশীষ ধন্য এই শেষাংশ ২ পৃষ্ঠাত



জয়ৰ পিছত উল্লাস আৰচিবিৰ

## মাজুলীত নিষিদ্ধ জুবিন!

**ই-সংবাদ, ২৫ এপ্ৰিলঃ** সত্ৰাধিকাৰক লৈ বিতৰ্কিত মন্তব্য কৰা জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ বিৰুদ্ধে অৱশেষত জাঙুৰ খাই উঠিছে সত্ৰ মহাসভা। এই অনুযায়ী মাজুলী জিলা সত্ৰ মহাসভাই গ্ৰহণ কৰিছে কেবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত। মাজুলী জিলা সত্ৰ মহাসভাৰ সভাপতি নতুন কমলাবাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্তৰ সভাপতিত্বত বৃহস্পতিবাৰে দিনৰ শেষাংশ ৩ পৃষ্ঠাত

## চাকমাক লৈ হঠাৎ ৰিজিজুৱে সলালে সুৰ

**ই-সংবাদ, ২৫ এপ্ৰিলঃ** চাকমা-হাজঙক লৈ অসম তথা উত্তৰ-পূৱৰ ৰাজনীতি উত্তপ্ত হৈ পৰাৰ সময়তে এইবাৰ পুনৰ কথাৰ সুৰ সলাইছে কিৰেন শেষাংশ ২ পৃষ্ঠাত

৫ পৃষ্ঠাত
## শাসকীয় দলৰ যুৱ নেতাক বিহাৰত গুলীয়াই হত্যা

৭ পৃষ্ঠাত
## নিৰ্বাচনী আচৰণ, মোদী-ৰাহুল গান্ধীক আয়োগৰ জাননী


কলকাতা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত চাকৰি হেৰুওৱা পশ্চিমবংগৰ শিক্ষকসকলৰ প্ৰতিবাদী কাৰ্যসূচী

## চিপিএমৰ সভাত বাধা বিজেপিৰ
■ সবিশেষ ৫ পৃষ্ঠাত

## আৰটিআই আইন নামানে শুৱালকুছিৰ ফেশ্যন প্ৰতিষ্ঠানে
■ সবিশেষ বাতৰি ৭ নং পৃষ্ঠাত চাওক

## আমিনুলে প্ৰদ্যুতৰ বিৰুদ্ধে দিলে গোচৰ
■ সবিশেষ ৬ পৃষ্ঠাত

## মনোনয়ন দাখিল পুনৰ ৰাষ্ট্ৰীয় ৰাজনীতিলৈ অখিলেশ

**লক্ষ্ণৌ, ২৫ এপ্ৰিলঃ** পুনৰ ৰাষ্ট্ৰীয় ৰাজনীতিলৈ উভতিছে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱ। এই অনুযায়ী বৃহস্পতিবাৰে কনৌজ লোকসভা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে অখিলেশ যাদৱে। উল্লেখ্য যে, ১৩ মে'ত কনৌজ লোকসভা শেষাংশ ২ পৃষ্ঠাত

## আজি ৰাজ্যৰ পাঁচ সমষ্টিত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন, সতৰ্কতা

### ভোটাৰে নিৰ্ণয় কৰিব ৬১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য



**ই-সংবাদ, ২৫ এপ্ৰিলঃ** অসমৰ ৫ টা সমষ্টিসহ দেশৰ মুঠ ৮৮টা সমষ্টিত কাইলৈ অনুষ্ঠিত হ'ব লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হ'বলগীয়া অসমৰ ৫টা লোকসভা সমষ্টি হৈছে দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও। এই সমষ্টিকেইটাত ভোটাৰে শেষাংশ ৩ পৃষ্ঠাত

## হোটেলত জুই, ৬ জনকৈ লোকৰ মৃত্যু

**পাটনা, ২৫ এপ্ৰিলঃ** বিহাৰৰ পাটনা ৰেলৱে জংচনৰ সমীপৰ এখন হোটেলত আজি সংঘটিত এক ভয়াবহ অগ্নিকাণ্ডত ৬ জন লোক নিহত হোৱাৰ লগতে ১৮ জনকৈ লোক আহত হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, হোটেলখনৰ চিলিণ্ডাৰৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ ৰাষ্ট্ৰীয় ৰাজনীতিলৈ

সমষ্টিত চতুৰ্থ পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আনহাতে শুকুৰবাৰে এই সমষ্টিটোৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন। সেই দিনটোতে মনোনয়ন দাখিল কৰি নিৰ্বাচনী ৰণাঙ্গনত নামিবলৈ সাজু হৈছে অখিলেশ যাদৱ। ২০০০ চনত অখিলেশ যাদৱে কনৌজৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে জয়ী হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত ২০০৪ আৰু ২০০৯ চনৰ লোকসভা নিৰ্বাচনতো সেই সমষ্টিৰ পৰাই তেওঁ জয়লাভ কৰিছিল। অখিলেশৰ পূৰ্বে কনৌজ সমষ্টিক প্ৰতিনিধিত্ব কৰিছিল তেওঁৰ পিতৃ মুলায়ম সিং যাদৱে। ইফালে এইবাৰ এই সমষ্টিটোত অখিলেশ যাদৱৰ মূল যুঁজখন হ'ব বিদায়ী বিজেপি সাংসদ সুব্ৰত পাঠকৰ বিৰুদ্ধে। উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে নিৰ্বাচনী যুঁজ হ'ব বুলি বাতৰি প্ৰকাশৰ পিছতে সুব্ৰতে কয়, “আগতে শুনিছিলো যে অখিলেশৰ আত্মীয় তেজপ্ৰতাপ যাদৱ কনৌজত থিয় দিব। সেই ক্ষেত্ৰত ভাৰত-জাপান ক্ৰিকেট মেচ হ'লহেঁতেন। এইবাৰ হ'ব ভাৰত-পাকিস্তানৰ মেচ।” প্ৰসংগক্ৰমে ২০১২ চনৰ উপ-নিৰ্বাচন আৰু ২০১৪ চনৰ লোকসভা নিৰ্বাচনত অখিলেশৰ পত্নী ডিম্পল যাদৱে কনৌজৰ পৰা জয়লাভ কৰিছিল। কিন্তু ২০১৯ চনত বিজেপি প্ৰাৰ্থী সুব্ৰতৰ হাতত তেওঁ পৰাস্ত হয়। আজি মনোনয়ন দাখিলৰ পিছতে সমাজবাদী পাৰ্টীৰ নেতাগৰাকীয়ে ২০০০ চনৰ ফটোও পোষ্ট কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীৰ আশীষ ধন্য ‘কু’

মাইক্ৰ'ব্লগিং এপটোৱে। সেই সময়ত নিশাটোৰ ভিতৰতে কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু বিজেপিৰ নেতাই কু' ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। কু'ৰ এগৰাকী মুখপাত্ৰই এটা ৰাষ্ট্ৰীয় ৱেব পৰ্টেলৰ আগত কয়, “আমি কু'ৰ অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হৈছো। ইয়াৰ বাবে আশা কৰাতকৈ বেছি সময় লাগিছে। অংশীদাৰিত্ব নিশ্চিত কৰিবলৈ আমি পূৰ্বৰ দৰমহা আদায় কৰিব পৰাকৈ পৰ্যাপ্ত ধনো সংগ্ৰহ কৰিছো। অংশীদাৰিত্ব বন্ধ হোৱাৰ পিছতো দৰমহা প্ৰদান কৰা হ'ব, কাৰণ অংশীদাৰিত্বৰ লগত কু' নতুন মূলধনী বিনিয়োগো জড়িত হৈ আছে।” প্ৰতিবেদন অনুসৰি চলিত মাহৰ আৰম্ভণিতে জুম কলৰ জৰিয়তে কৰ্মচাৰীসকলক এই পৰিৱৰ্তনৰ বিষয়ে অৱগত কৰিছিল কোম্পানীটোৱে। প্ৰতিবেদনত কোৱা হৈছে যে এই কোম্পানীটোৱে ২০২২ চনৰ জুন মাহৰ পৰা ৮০ শতাংশ কৰ্মচাৰীক কৰ্তন কৰাৰ লগতে বহু কৰ্মচাৰীৰ দৰমহা ৪০ শতাংশ পৰ্যন্ত কৰ্তন কৰিছে। জানিব পৰা মতে, চলিত বৰ্ষৰ আৰম্ভণিতে কোম্পানীটোৰ সৈতে জড়িত ৩০ হাজৰতকৈ অধিক দৰমহা লাভ কৰা কৰ্মচাৰীৰ দৰমহা ৪০ শতাংশ পৰ্যন্ত কৰ্তনৰ সিদ্ধান্ত লৈছিল কু'ৱে। মন কৰিবলগীয়া যে, চৰকাৰী অপপ্ৰচাৰ চলোৱা আৰু মুছলমান বিৰোধী ঘৃণামূলক ভাষণ বাধাহীন প্ৰচলনৰ অভিযোগ উত্থাপন হৈ আহিছে কু' এপৰ বিৰুদ্ধে। মূলতঃ ইংৰাজী ভাষী নোহোৱা দৰ্শকক লক্ষ্য কৰি লোৱা এই এপটোৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটাৰৰ বিপৰীতে ভাৰতীয় 'জাতীয়তাবাদ'ৰ আৱেগ প্ৰসাৰ কৰিব বিচৰা বুলিও অভিযোগ উত্থাপন হৈ আহিছে। প্ৰতিবেদন অনুসৰি, পেইড গ্ৰাহক অধিগ্ৰহণ অভিযানৰ ওপৰত প্ৰচণ্ড নিৰ্ভৰশীলতাৰ বাবে কোম্পানীটোৰ পৰিচালনা আয় মাত্ৰ ১৪ লাখ টকা। ২০২২-২৩ বিত্তীয় বৰ্ষত এই কোম্পানীটোৱে ১৯৭ কোটি টকাৰ তীব্ৰ লোকচানৰ সন্মুখীন হৈছিল। উল্লেখ্য যে, টাইগাৰ গ্ল'বেল, এক্সেল, থ্ৰি অন ফৰ কেপিটেল, কালাৰী কেপিটেল আৰু ব্লুম ভেঞ্চাৰছৰ দৰে বৃহৎ কোম্পানীয়ে বিনিয়োগ কৰাৰ পিছতো কোম্পানীটোৱে ৰাজহৰ এক কাৰ্য্যক্ষম আৰ্হি সৃষ্টি কৰাত ব্যৰ্থ হৈছে। তথ্য অনুসৰি, ২০২২ চনৰ জুন মাহত নতুন ব্যৱহাৰকাৰী যোগ কৰাৰ বাবে পেইড অভিযান বন্ধ কৰাৰ পিছত ইয়াৰ গ্ৰাহকৰ সংখ্যা ৭২ লাখৰ পৰা ২৭ লাখলৈ হ্ৰাস পাইছে। এনে পৰিপ্ৰেক্ষিতত এতিয়া চৰম আৰ্থিক দুৰ্দশাৰ সন্মুখীন হৈ যিকোনো মুহূৰ্ততে এপটো বন্ধ হৈ যাব পাৰে বুলিও শংকিত হৈ পৰিছে কৰ্মচাৰীসকল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাকমাক লৈ হঠাৎ ৰিজিজুৰে

ৰিজিজুৱে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উচ্চ প্ৰশংসা কৰি হাজং-চাকমাসকলক লৈ কৰা মন্তব্যৰ বিকৃত ৰূপ দি বাতৰি পৰিৱেশন কৰা বুলিহে দাবী কৰিছে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। এই প্ৰসংগত বৃহস্পতিবাৰে নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, 'হিমন্ত বিশ্ব শৰ্মা ভাৰতৰ এগৰাকী জনপ্ৰিয় মুখ্যমন্ত্ৰী তথা উত্তৰ-পূৰ্বৰ অগ্ৰণী নেতা৷ লোকসভা নিৰ্বাচনৰ মাজত তেওঁক বদনামী কৰিবলৈকে কোনোবাই ষড়যন্ত্ৰ কৰি মোৰ কথাৰ বিকৃত ৰূপ দি চাকমা-হাজংসকলক অসমত সংস্থাপন দিয়া হ'ব বুলি বাতৰি কৰিছো' অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক এই বিষয়ে অনুৰোধ জনোৱাৰ কথাহে তেওঁ কৈছিল বুলি ৰিজিজুৱে আজি দিল্লীত স্পষ্টীকৰণ দিছে৷ আনহাতে অৰুণাচলৰ হাজং-চাকমাসকলক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্থায়ীভাৱে বিকল্প স্থানত সংস্থাপিত কৰাৰ পোষকতা কৰাৰ কথাহে তেওঁ কৈছিল, অসমত সংস্থাপনৰ কথা কোৱা নাছিল বুলি আজি অৰুণাচল তথা দেশৰ এগৰাকী জ্যেষ্ঠ বিজেপি নেতা ৰিজিজুৱে দাবী কৰে৷ উল্লেখ্য যে কিৰেণ ৰিজিজুৱে চাকমা আৰু হাজংসকলক অসমলৈ স্থানান্তৰণ কৰাৰ কথা কোৱাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিৰেণ ৰিজিজুৱে ৰাজনৈতিক পৰিস্থিতিত এই মন্তব্য কৰা বুলি কৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, ‘ৰিজিজুৰ এই বক্তব্যৰ বিষয়ে মই অৱগত নহয়। কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত আমাৰ লগত কথা পতা নাই। ৰিজিজুৱে হয়তো তাত (অৰুণাচল প্ৰদেশত) ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত কিছু মন্তব্য কৰিছিল। নিৰ্বাচনৰ পিছত মই তেওঁৰ সৈতে কথা পাতিম।” ইয়াৰ পিছতে আজি ৰিজিজুৱে এই মন্তব্য কৰা দেখা যায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হোটেলত জুই, ৬ জনকৈ

বিস্ফোৰণৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হয়। ইফালে অগ্নিকাণ্ডৰ খবৰ লাভ কৰাৰ লগে লগে কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আৰু উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰে। উদ্ধাৰকাৰী দলে হোটেলৰ বহুমহলীয়া অট্টালিকাটোৰ পৰা ২০ জন লোকক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। ইয়াৰে ১২ জনক অতি সংকটজনক অৱস্থাত বৰ্তমান আইচিইউত ৰখা হৈছে। ইফালে অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়াসকলে প্ৰকাশ কৰা মতে, প্ৰাথমিক তদন্তত নিৰাপত্তাৰ নিয়ম মানি নচলাৰ বাবেই এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। এই ঘটনাক লৈ শোক ব্যক্ত কৰিছে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা বিৰোধী দলপতি তেজস্বী যাদৱেও ঘটনাটোক লৈ শোক প্ৰকাশ কৰাৰ লগতে ভুক্তভোগীসকলক ক্ষতিপূৰণৰ দাবী জনাইছে। ইফালে, আজি দক্ষিণ-পূব দিল্লীৰ জামিয়া নগৰস্থিত এটা ব্যৱসায়িক অট্টালিকাতো অগ্নিকাণ্ড সংঘটিত হয়। অৱশ্যে এই অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱাৰ খবৰ পোৱা হোৱা নাই। শ্বৰ্ট চাৰ্কিটৰ ফলতেই এই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি ৰাজ্যৰ পাঁচ সমষ্টিত

নিৰ্ণয় কৰিব মুঠ ৬১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য। ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়োৱা ৬১ গৰাকী প্ৰাৰ্থীৰ ৫৯ জন পুৰুষ আৰু ২ গৰাকী মহিলা। ৮,৯২,৭৮৯ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব প্ৰাৰ্থীৰ ভাগ্য। ইয়াৰে পুৰুষ ভোটাৰ ৪,৪৫,০৮৪ গৰাকী আৰু মহিলা ভোটাৰ ৪,৪৭,৬৮৬ গৰাকী। উল্লেখযোগ্য যে, দেশৰ ১৩ খন ৰাজ্যৰ ৮৮টা সমষ্টিত কাইলৈ ভোটগ্ৰহণ চলিব। নিৰ্বাচন আয়োগে জানিবলৈ দিয়া মতে ৯,১৩৩টা ভোটগ্ৰহণ কেন্দ্ৰত হ'ব ভোটগ্ৰহণ। অসমৰ কৰিমগঞ্জ লোকসভা সমষ্টিত সৰ্বাধিক ২৪ গৰাকী প্ৰাৰ্থী আছে আৰু ৭৭,২৬,৬৬৮ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ভাগ্য। ডিফু সমষ্টিত আছে ১২১৭টা ভোটগ্ৰহণ কেন্দ্ৰ। ডিফু সমষ্টিত ২২৯টা স্পৰ্শকাতৰ কেন্দ্ৰ। আনহাতে, ৯নং নগাঁও লোকসভা সমষ্টিৰ মুঠ ভোটাৰ ১৮,১৭,২০৪। পুৰুষ ভোটাৰ ৯,১৪,৪৬৯ আৰু মহিলা ভোটাৰৰ সংখ্যা ৯০,২৬৫৩। নগাঁৱত তৃতীয় লিংগৰ ভোটাৰৰ সংখ্যা ৮২গৰাকী। কাইলৈ দৰং-ওদালগুৰি সমষ্টিত অনুষ্ঠিত হ'ব নিৰ্বাচন। বাক্সা জিলাত কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হৈছে। মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁৱত এশ বছৰৰ উৰ্ধৰ ১৮২ গৰাকী ভোটাৰ আছে। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত সমগ্ৰ দেশতে ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত যথেষ্ট কম দেখা গৈছিল। এতিয়া দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণৰ হাৰ কি হ'ব তালৈ লক্ষ্য ৰাখিছে সকলোৱে। দ্বিতীয় পৰ্যায়ত ৰাহুল গান্ধীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা ৱায়নাডসহ কেৰালাৰ ২০ টা সমষ্টিৰ আটাইকেইটাতে ভোটগ্ৰহণ সম্পন্ন হ'ব। ইয়াৰ লগতে ৰাজস্থানৰ ১৩টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ৮টা সমষ্টিত ভোটদান কৰিব ভোটাৰে। আনহাতে উত্তৰ প্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ৬টা, বিহাৰৰ ৫ টা, ছত্তীশগড়ৰ ৩টা, পশ্চিমবংগৰ ৩টা, ত্ৰিপুৰা, জম্মু-কাশ্মীৰ আৰু মণিপুৰত ১টাকৈ সমষ্টিতো কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীত নিষিদ্ধ জুবিন!

২ বজাত অনুষ্ঠিত হোৱা এখন সভাত মাজুলীৰ যিকোনো অনুষ্ঠানত জুবিন গাৰ্গৰ অংশগ্ৰহণ নিষিদ্ধ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সংস্কৃত টোলত অনুষ্ঠিত সভাখনত আন কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। জুবিন গাৰ্গক মাজুলীৰ যিকোনো অনুষ্ঠানত নিমন্ত্ৰণ নিষিদ্ধ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে বিষয়টি মুখ্যমন্ত্ৰীক অৱগত কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰে সভাই। সভাত মাজুলীৰ সত্ৰাধিকাৰসকলে যিকোনো সভা-সমিতিলৈ যোৱাৰ ক্ষেত্ৰত ধৰ্মীয় মাৰ্গৰ ভিতৰত থাকিহে যোৱাটো উচিত বুলি প্ৰস্তাৱ আগবঢ়ায়। আনহাতে, মাজুলীৰ গড়মূৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে জুবিন গাৰ্গলৈ আগবঢ়োৱা বঁটাটি উদযাপন সমিতিক পুনৰ ঘূৰাই ল'বলৈকো আজিৰ সভাই আহ্বান জনায়। উল্লেখযোগ্য যে, সোমবাৰে মাজুলীৰ গড়মূৰ মিনি ষ্টেডিয়ামত পূৰেৰুণ কলা পৰিষদৰ উদ্যোগত অনুষ্ঠিত ৬৬ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সামৰণি অনুষ্ঠানত উদযাপন সমিতিয়ে অসম গৌৰৱ বিশিষ্ট শিল্পী জুবিন গাৰ্গক 'সংগীত সিন্ধু' উপাধি প্ৰদান কৰিছিল। এই উপাধি গ্ৰহণ কৰাৰ পাছতে জুবিন গাৰ্গে মাজুলীৰ সত্ৰাধিকাৰক 'প্ৰভু ঈশ্বৰ' সম্বোধন কৰা কথাত আপত্তি দৰ্শোৱাৰ লগতে অশালীন ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। মাজুলীৰ ঐতিহ্যমণ্ডিত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ গোস্বামীৰ হাতৰ পৰা উক্ত উপাধি গ্ৰহণ কৰাৰ পাছতে সত্ৰাধিকাৰসকলক শিষ্যসকলে কৰা সম্বোধন সম্পৰ্কত জুবিন গাৰ্গে কৰিছিল বিতৰ্কিত মন্তব্য। ইয়াৰ পিছতে পৰিস্থিতি উত্তপ্ত হৈ পৰাত জুবিন গাৰ্গে ক্ষমা বিচাৰে যদিও সত্ৰাধিকাৰসকলৰ লগতে সমগ্ৰ মাজুলীবাসী ক্ষোভিত হৈ পৰে। অৱশেষত আজি সত্ৰ মহাসভাই সভা অনুষ্ঠিত কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে সত্ৰৰ সত্ৰাধিকাৰসকলক লৈ মন্তব্য কৰি সত্ৰাধিকাৰৰ পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ শাওপাতো পাইছে জুবিন গাৰ্গে। বিহুৰ সংগীতানুষ্ঠানত বিতৰ্কিত মন্তব্য কৰা জুবিন গাৰ্গক লৈ সামাজিক মাধ্যমতো উঠিছে ক্ষোভৰ উকমুকনি। 'সত্ৰাধিকাৰসকলক প্ৰভু ঈশ্বৰ বুলি সম্বোধন কৰিলে বেয়া পাও' বুলি কোৱাৰ লগতে 'ঘেণ্টা প্ৰভু ঈশ্বৰ' বুলিও কৈছিল জুবিন গাৰ্গে। একাংশই জুবিনৰ মন্তব্যক সমৰ্থন কৰি কোনো ব্যক্তিক প্ৰভু ঈশ্বৰ বুলি সম্বোধন কৰা উচিত নহয় বুলি মন্তব্য কৰিলেও আন একাংশই এয়া তীৰ্যক সমালোচনা কৰা দেখা গৈছে। মাজুলী আধাৰ সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামীয়েও জুবিন গাৰ্গৰ এনে মন্তব্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়া দেখা গৈছিল।

# লেহেমীয়া গতিত পদুমনি পানী যোগান আঁচনিৰ কাম

**ই-সংবাদ, মোৰাঝাৰ, ২৫ এপ্ৰিলঃ** কেন্দ্ৰীয় চৰকাৰৰ জলশক্তি মন্ত্ৰণালয়ৰ শেহতীয়া প্ৰকাশিত এক তথ্য মতে,ৰাজ্যখনত এই পৰ্যন্ত জলজীৱন আঁচনি সঠিকভাৱে ৰূপায়ণৰ ক্ষেত্ৰত অগ্ৰগতি সন্তোষজনক নহয়। তাৰে এক বাস্তৱ ছবি হোজাই জিলাত পৰিলক্ষিত হৈছে। হোজাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত জিলাখনৰ বিভিন্ন প্ৰান্তত চলি থকা আঁচনিসমূহত ব্যাপক অনিয়ম আৰু কোটি কোটি টকাৰ দুৰ্নীতি সংগঠিত হোৱাৰ অভিযোগ উঠিছে। উল্লেখযোগ্য যে আঁচনিসমূহ ৰূপায়ণত প্ৰাককলন বিধি ভংগ কৰি নিজৰ খিয়ালখুছিমতে কাম শেষ কৰি চৰকাৰী ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। মনকৰিবলগীয়া যে ২০২৪ চনৰ ভিতৰত দেশৰ সকলো পৰিয়ালৰ টেপ সংযোগৰ জৰিয়তে সুৰক্ষিত আৰু পৰ্যাপ্ত খোৱাপানী যোগান ধৰাটোৱেই জলজীৱন মিছনৰ লক্ষ্য। এই আঁচনিখন ২০১৯ চনৰ ১৫ আগষ্টত আৰম্ভ কৰা হৈছিল। কিন্তু আজিও এটুপি বিশুদ্ধ পানীৰ বাবে গ্ৰাম্য অঞ্চলত হাহাকাৰ কৰিবলৈ হয়। হোজাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ পদুমনি পানী যোগান আঁচনিখনৰ কাম লেহেমীয়া গতিত চলিছে।যাৰ ফলত ৰাইজে সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। কেৱল ইমানেই নহয় জিলাখনৰ মোৰাঝাৰ এলেকাত পদুমনি পানী যোগান আঁচনি,চাবাজপুৰ পানী যোগান আঁচনি,ৰোহিনী পথাৰ পানী যোগান আঁচনিৰ কামত অনিয়ম হোৱাৰ অভিযোগ তুলিছে ৰাইজে। কোটিটকীয়া প্ৰকল্পসমূহত চৰম দুৰ্নীতি-অনিয়ম ঘটা দেখিও নেদেখাৰ ভাওঁ জুৰিছে বিয়াগোম বিষয়া-অভিযন্তাসকলে। বিশেষকৈ পদুমনি গাঁৱৰ প্ৰকল্পটি শামুকীয়া গতিৰে কাম চলিছে। যাৰ ফলত ৰাইজ অতীষ্ঠ হৈ পৰিছে। ইফালে ৰোহিনী পথাৰ পানী যোগান আঁচনিটোৰ কাম সম্পূৰ্ণ হোৱাৰ পূৰ্বে পাইপলাইনৰ টেপ সমুহ জহিখহি যোৱাৰ উপৰিও টেপৰ তলৰ পকী অতি নিম্মমানৰ হোৱাৰ বাবে বহু ঠাইত উৰলি যোৱা পৰিলক্ষিত হৈছে। কমিচনৰ বিনিময়ত এই সমূহ আঁচনি কেৱল ঠিকাদাৰক সন্তুষ্ট কৰিবলৈ আৱন্টন দিয়া যেন অনুমান হৈছে। চৰকাৰৰ বিয়াগোম বিভাগটোৰ বিষয়া অভিযন্তা মিলি হৰণ-ভগন কৰাৰ ফলত এনে এক পৰিৱেশে বিৰাজ কৰিছে। হোজাই আয়ুক্তৰ এক উচিত তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজ আৰু দল-সংগঠনে।



হেলিকপ্টাৰত গৌৰৱ গগৈ

# জুবিন গাৰ্গে ঘূৰাই দিব লাগিব 'সংগীত সিন্ধু' উপাধি !

## মাজুলী জিলা সত্ৰ মহাসভাৰ ডাঙৰ সিদ্ধান্ত

**ই-সংবাদ, ২৫ এপ্ৰিলঃ** জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ বিৰুদ্ধে মাজুলী জিলা সত্ৰ মহাসভাই লৈছে গুৰুত্বপূৰ্ণ সিদ্ধান্ত। শিল্পীগৰাকীক মাজুলীত সাংস্কৃতিক অনুষ্ঠানলৈ নিমন্ত্ৰণ দিয়াৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে জিলা সত্ৰ মহাসভাই। আনহাতে মাজুলী জিলা সত্ৰ মহাসভাই ৰাজহুৱা কৰা এক জাননীত উল্লেখ কৰে যে অহা ২৯ এপ্ৰিলত পূব মাজুলীত জুবিন গাৰ্গৰ সংগীতানুষ্ঠান আছে। উক্ত দিনা অনুষ্ঠান পৰিৱেশন কৰিলে যিকোনো অপ্ৰীতিকৰ পৰিৱেশৰ বাবে আয়োজক সমিতি তথা প্ৰশাসন জগৰীয়া হ'ব বুলি উল্লেখ কৰে।এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে কিছুদিন পূৰ্বে শিল্পী জুবিন গাৰ্গে মাজুলীত সংগীতানুষ্ঠান পৰিৱেশন কৰিবলৈ গৈছিল। উক্ত দিনা শিল্পীগৰাকীয়ে মঞ্চত কৰা বিতৰ্কিত মন্তব্যৰ বাবে মাজুলী জিলা সত্ৰ মহাসভাই অসন্তুষ্টি প্ৰকাশ কৰিছে।



ধুবুৰীত বিৰোধীৰ শক্তি প্ৰদৰ্শন, বৃহস্পতিবাৰৰ ফটো

## ঘিলামৰাৰ ৬৫সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

# ডিব্ৰুগড়ৰ ঋতুপৰ্ণা দাস শ্ৰেষ্ঠা বৰ বিহুৱতী, মৰাণৰ বিৰিণা হুঁচৰি দল শ্ৰেষ্ঠ হুঁচৰি দল

**ঘিলামৰাঃ** ২৩ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ঘিলামৰাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল ইতিমধ্যে ঘোষণা কৰা হৈছে। উদযাপন সমিতিৰ তৰফৰ পৰা জানিব পৰা মতে দ্বিতীয় দিনা অনুষ্ঠিত হোৱা বৰ বিহুৱতী প্ৰতিযোগিতাত ডিব্ৰুগড়ৰ ঋতুপৰ্ণা দাসে শ্ৰেষ্ঠ স্হান দখল কৰিবলৈ সক্ষম হয়। আনহাতে ধেমাজিৰ ৰৌজি কোঁৱৰে দ্বিতীয় স্থান, তৃতীয় স্হান ক্ৰমে ঘিলামৰাৰ বৰষা বুঢ়াগোহাঁই, ধেমাজিৰ চয়নিকা দেৱী আৰু মৰাণৰ বণ্যাশ্ৰী গগৈয়ে লাভ কৰে। ইফালে সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা হুঁচৰি প্ৰতিযোগিতাত মৰাণৰ বিৰিণা হুঁচৰি দলে প্ৰথম স্হান, ঘিলামৰাৰ গোমচেং হুঁচৰি দলে দ্বিতীয় স্থান, ডিগবৈৰ ন জোন হুঁচৰি দলে তৃতীয় স্হান, ডিব্ৰুগড়ৰ ন-কুঁহিপাত হুঁচৰি দলে চতুৰ্থ স্হান আৰু ঘিলামৰাৰ জাংফাই হুঁচৰি দলে পঞ্চম স্হান লাভ কৰে। শ্ৰেষ্ঠ ঢুলীয়া নিৰ্বাচিত হয় গোমচেং হুঁচৰি দলৰ। আনহাতে বৰ বিহুৱা প্ৰতিযোগিতাত ডলফিন গগৈয়ে প্ৰথম, নিপন চুতীয়াই দ্বিতীয় আৰু উৎপল বুঢ়াগোঁহায়ে তৃতীয় স্হান লাভ কৰিবলৈ সক্ষম হয়।

# শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল চিপিএমৰ

# শুৱালকুছিত চিপিএমৰ প্ৰচাৰ সভাত বিজেপি কৰ্মীৰ বাধা

**ই-সংবাদ, ২৫ এপ্ৰিলঃ** কামৰূপ জিলাৰ শুৱালকুছিত ৩নং বৰপেটা লোকসভা সমষ্টিৰ চিপিএম দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ হৈ অঞ্চলিক সমিতিয়ে পথ সভা কৰাত বিজেপিৰ কৰ্মীয়ে সভাত বাধা আৰোপ কৰাক লৈ সচেতন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে শুৱালকুছিত ৩নং বৰপেটা লোকসভা সমষ্টিৰ চিপিএম দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ হৈ নিৰ্বাচনী পথ সভা চলি থকা অৱস্থাত নিৰ্বাচনী সভা অনুষ্ঠিত কৰাত বাধা প্ৰদান কৰে বিজেপিৰ কৰ্মীয়ে। আনকি সভাত ভাষণ দি থকা অৱস্থাত বক্তাৰ হাতৰ পৰা মাইক্ৰোফোন কাঢ়ি নি দলিয়াই ই-ৰিক্সাৰ ক্ষতি সাধন কৰাৰ লগতে চিপিএমৰ কৰ্মীসকলক অশ্লীল গালি-গালাজ কৰি অপদস্থ কৰা বুলিও অভিযোগ কৰে চিপিএমৰ শুৱালকুছিৰ আঞ্চলিক সমিতিয়ে। পৰিস্থিতি উত্তপ্ত হৈ পৰাত শুৱালকুছি আৰক্ষীৰ এটি দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনা সন্দৰ্ভত আজি চিপিএমৰ শুৱালকুছি নিৰ্বাচনী সমিতিৰ সম্পাদক খনীন মড়ল আৰু সভাপতি সৰ্বানন্দ কলিতাই শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এই সন্দৰ্ভত দলটোৱে অভিযোগ কৰি কয় যে সমাগত লোকসভা নিৰ্বাচনৰ বাবে সমগ্ৰ ৰাজ্যতে শাসক-বিৰোধী দলে নিৰ্বাচনী প্ৰচাৰ তুংগত ৰখাৰ সময়তে চিপিএমৰ বৰপেটা সমষ্টিৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ হৈ শুৱালকুছি আঞ্চলিক সমিতিয়ে পথ সভাৰে নিৰ্বাচনী প্ৰচাৰ কৰিছিল। সেই সন্দৰ্ভত নিশা প্ৰায় ৭ বজাত শুৱালকুছি শান্তিটোলত তেওঁলোকে পথসভা অনুষ্ঠিত কৰি চৰকাৰ বিৰোধী বক্তব্যৰে ভাষণ দি আছিল। চিপিএমৰ নেতা ভৰেন কলিতাই ভাষণ দি থকা অৱস্থাতে স্থানীয় বিজেপি কৰ্মী প্ৰয়াত হিতেশ্বৰ দাসৰ দুই পুত্ৰ বিৰেশ্বৰ দাস, পদ্মেশ্বৰ দাস আৰু অৱসৰী শিক্ষক কুশল ডেকাৰ পুত্ৰ জিজ্ঞাস ডেকাই সভাস্থলীত উপস্থিত হৈ সভা অনুষ্ঠিত কৰাত বাধা প্ৰদান কৰে। পিচত তেওলোকে চৰকাৰ বিৰোধী ভাষণ দিয়াক লৈ তৰ্ক যুদ্ধত লিপ্ত হৈ ভাষণ দি থকা অৱস্থাতে হাতৰ পৰা মাইক্ৰোফোন কাঢ়ি আনি দলিয়াই দিয়াৰ অভিযোগ কৰে। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছিত নিশা সংঘটিত হোৱা এই ঘটনাক লৈ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



# উন্নত প্ৰজাতিৰ ৰঙালাউ খেতিৰে স্বাৱলম্বিতাৰ প্ৰয়াস নগাঞা যুৱকৰ

**ই-সংবাদ, বেবেজীয়া, ২৫ এপ্ৰিলঃ** ৰাজ্যৰ বিভিন্ন সমস্যাৱাজিৰ ভিতৰত অন্যতম জ্বলন্ত সমস্যা হৈছে নিবনুৱা সমস্যা। কৰ্মসংস্থাপনৰ বাবে হামৰাও কাঢ়ি ফুৰা বহু নিবনুৱাই সময়ে সময়ে ঢাপলি মেলিছে বহিঃৰাজ্যলৈ। এনে এক পৰিস্থিতিৰ মাজতে কৰ্মসংস্থাপনৰ অভাৱত ঘৰত বহি থকাতকৈ কিবা এটা কৰা কৰাৰ মানসেৰে আগবাঢ়ি আহিছে নগাঞা দুই শিক্ষিত যুৱক। আচলতে নগাঁৱৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাট আৰু নতুন ভোগবাৰীৰ এই শিক্ষিত যুৱকদ্বয়ে চৰকাৰী চাকৰিৰ আশা ত্যাগ কৰি নিজাববীয়াকৈ কৃষিকৰ্মৰে স্বাৱলম্বিতাৰ প্ৰয়াস চলোৱা দেখিবলৈ পোৱা গৈছে। এই যুৱক দুজন হৈছে দীপ বৰা আৰু মনোজ টুডু। জানিব পৰা মতে, উদ্যমী যুৱকদ্বয়ে মনোনিবেশ কৰিছে আধুনিক পদ্ধতিৰ জৰিয়তে ৰঙালাউ খেতিত। তেওঁলোকে যোৱা জানুৱাৰী মাহৰ পৰা চাৰে ছয় বিঘা মাটিত উন্নতমানৰ মহাবলী প্ৰজাতিৰ ৰঙালাউ খেতি আৰম্ভ কৰি দিনে-ৰাতিয়ে কৰ্মত নামি পৰিছে। ইতিমধ্যে কলি পেলাবলৈ ধৰা এই খেতিত স্পিংলাৰৰ জৰিয়তে প্ৰয়োজনীয় পানীৰ যোগান ধৰাৰ বিপৰীতে প্ৰয়োগ কৰিছে জৈৱিক সাৰ। প্ৰতি বিঘা মাটিত ৪০-৫০ কুইন্টল উৎপাদনৰ ক্ষমতা থকা এই মহাবলী প্ৰজাতিৰ ৰঙালাউৰ খেতিত কষ্টসহিষ্ণু কৰ্মোদ্যমী যুৱকদ্বয়ে এনেদৰে নিমৰ্জিত হৈ দিনে-নিশাই গাৰ ঘাম মাটিত পেলাই এতিয়া ৰচিছে আশাৰ সপোন। সেয়ে নিবনুৱা সমস্যাৰ গৰাহত ককবকাই থকা নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে এয়া স্বাৱলম্বিতাৰ এক উৎকৃষ্ট নিদৰ্শন হিচাপে চিহ্নিত হৈছে।

# বিহাৰত নেতাক হত্যা

**পাটনা, ২৫ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ ঠিক পূৰ্বে গুলীবিদ্ধ হৈ মৃত্যু বিহাৰৰ শাসকীয় দল জনতা দল ইউনাইটেডৰ এজন যুৱ নেতাৰ। বুধবাৰে নিশা অচিনাক্ত দুৰ্বৃত্তৰ নিৰ্বিচাৰ গুলীচালনাত মূৰ আৰু ডিঙিত আঘাতপ্ৰাপ্ত হৈ মৃত্যু ঘটে সৌৰভ কুমাৰ নামৰ জে ডি ইউৰ নেতাজনৰ। আৰক্ষীয়ে সদৰী মতে, বুধবাৰে নিশা পাটনাৰ এক অনুষ্ঠানৰ পৰা এজন বন্ধুৰ সৈতে বাইকেৰে ঘৰলৈ উভতিছিল সৌৰভ কুমাৰ। সেই সময়তে চাৰিজন দুৰ্বৃত্তই তেওঁলোকক ঘেৰি ধৰি সৌৰভক লক্ষ্য কৰি তিনি জাঁই আৰু সংগীজনক লক্ষ্য কৰি দুই জাঁই গুলী নিক্ষেপ কৰে। গুলীৰ আঘাতত ৰক্তাক্ত হৈ ঢলি পৰা যুৱক দুজনক লগে লগে স্থানীয় লোকে হাম্পতাললৈ লৈ যায় যদিও চিকিৎসকে সৌৰভক মৃত ঘোষণা কৰে। আনহাতে আনজন যুৱক বৰ্তমান সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে জনোৱা মতে, এই হত্যাৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই যদিও ৰাজনৈতিক আৰু ব্যৱসায়িক কাৰণত এই হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে। ইফালে জে ডি ইউৰ যুৱ নেতাজনৰ হত্যাকাণ্ডই ৰাজ্যখনৰ ৰাজনীতিতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# মেধিপাৰাত ভঠেলিৰ প্ৰস্তুতি

**ই-সংবাদ, বৰমা, ২৫ এপ্ৰিলঃ** বাক্সা জিলাৰ বৰমা নিকটৱৰ্তী মেধিপাৰাত মেধিপাৰা গাওঁ উন্নয়ন সমিতিৰ উদ্যোগত অহা ২৬ আৰু ২৭ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে ভঠেলি উৎসৱ উদযাপনৰ প্ৰস্তুতি চলিছে । ইতিমধ্যে মহেশ দাসক সভাপতি, সুভাষ দাস আৰু লুকু দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ভঠেলি উৎসৱ উদযাপন সমিতি এখন গঠণ কৰাৰ উপৰি কেইবাখনো উপসমিতি গঠন কৰা হয়। কাৰ্যসূচী মতে ২৬ এপ্ৰিলৰ পুৱা ৭.১৫ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব সমাজকৰ্মী শশীন দাসে, ৮ বজাত পতাকা উত্তোলন কৰিব কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে, ৯ বজাত মন্দিৰৰ মুখ্য দ্বাৰ উন্মোচন কৰিব প্ৰাক্তন ইএম অনচুমৈ খুংগুৰ বড়োৱে, ইয়াৰ পিছত বন্তি প্ৰজ্বলন, বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। দিনৰ ১২ বজাত ভাগৱত পাঠ কৰে শশীন দাসে, ১ বজাত ভঠেলি উৎসৱ উপলক্ষে "পাৰ' উদ্বোধন কৰিব ৰাজীৱ গান্ধী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ধীৰেণ ঠাকুৰীয়াই, আবেলি নাগাৰা নাম পৰিৱেশন কৰিব হীৰামণি বৈশ্যই। ২৭ এপ্ৰিলত ৰাতিপুৱা ১০ বজাৰ পৰা খেল ধেমালি প্ৰতিযোগিতা, আবেলি নমাটি বিদ্যাপীঠ হাইস্কুলৰ অৱসৰী শিক্ষক সমীন চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হব বঁটা বিতৰণী আৰু সম্বৰ্ধনা অনুষ্ঠান। সন্ধিয়া সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব জ্যেষ্ঠ সমাজকৰ্মী কন্দৰ্প কলিতাই, নানাৰঙী গীত-মাত, নৃত্যানুষ্ঠানৰ উদ্বোধন কৰিব যোগান পৰিদৰ্শক জ্যোতিষ হালৈয়ে, নিশাৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ দ্বীপ দৰ্শন আৰু নিকিতা কাশ্যপৰ সংগীতানুষ্ঠান।

## ভোটকেন্দ্ৰলৈ ৰাওনা বিষয়াঃ ইভিএমত বন্দী হ'ব ১১প্ৰাৰ্থীৰ ভাগ্য

# আজি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ নিৰ্বাচন

**ই-সংবাদ, ওদালগুৰি, ২৫ এপ্ৰিলঃ** কাইলৈ ৰাজ্যত অনুষ্ঠিত হব লোকসভা নিৰ্বাচনৰ পৰ্যায়ৰ ভোটগ্ৰহণ। কাইলৈ ৰাজ্যৰ পাঁচটাকৈ লোকসভা সমষ্টিৰ বাবে অনুষ্ঠিত হব নিৰ্বাচন। ইয়াৰ ভিতৰত আছে দৰং-ওদালগুৰি লোকসভা সমষ্টিত। সমষ্টিটোত এইবেলি ওদালগুৰি, দৰং, কামৰূপ আৰু বাক্সা জিলাৰ মুঠ ১১ টাকৈ বিধানসভা সমষ্টি অন্তৰ্ভুক্ত হৈছে। লোকসভা সমষ্টিটোৰ নিৰ্বাচন পৰিচালনাৰ বাবে ওদালগুৰি জিলাখনক নডেল জিলা হিচাপে গঠন কৰি লোকসভা সমষ্টিটোৰ সমগ্ৰ কাম-কাজ ওদালগুৰিৰ পৰাই পৰিচালনা কৰা হ'ব। এইবাৰ দৰং ওদালগুৰি লোকসভা সমষ্টিৰ ১১ টাকৈ বিধানসভা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ২১,৮৭,১৬০ গৰাকী। ইয়াৰ ভিতৰত ১০,৯৯,২৯৪ গৰাকী পুৰুষ আৰু ১০,৮৭,৮৪০ গৰাকী মহিলা আৰু ১৯ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে। ইয়াৰে ভিতৰত কামৰূপৰ ৩১ নং ৰঙিয়া আৰু ৩২ নম্বৰ কমলপুৰ বিধানসভা সমষ্টিত ১,৯৬,৯৫৬ গৰাকী পুৰুষ ভোটাৰ আৰু ১,৯১,৩৭৬ গৰাকী মহিলা ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ৩,৮৮,৩৩২ গৰাকী। বাক্সা জিলাৰ ৪৩ নম্বৰ তামুলপুৰ আৰু ৪৪ নম্বৰ গোৰেশ্বৰ বিধানসভা সমষ্টিত ২,০৭,২৬০ গৰাকী পুৰুষ ভোটাৰ আৰু ২,০৪,৪০৪ গৰাকী মহিলা ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা ৪,১১,৬৬৪ গৰাকী। ওদালগুৰি জিলাৰ ৪৫ নম্বৰ ভেৰগাওঁ, ৪৬ নম্বৰ ওদালগুৰি, ৪৭ নম্বৰ মাজবাট আৰু ৪৮ নম্বৰ টংলা বিধানসভা সমষ্টিত ৩,৪১,৩৯৫ গৰাকী পুৰুষ, ৩,৪৭,৮০৭ গৰাকী মহিলা আৰু ৪ গৰাকী তৃতীয় লিংগৰ ভোটাৰসহ মুঠ ৬,৮৯,২০৬ গৰাকী ভোটাৰ। দৰং জিলাৰ ৪৯ নম্বৰ ছিপাঝাৰ, ৫০ নম্বৰ মঙ্গলদৈ আৰু ৫১ নম্বৰ দলগাওঁ বিধানসভা সমষ্টিত ৩,৫৩,৬৮৩ গৰাকী পুৰুষ, ৩,৪৪,২৬০ গৰাকী মহিলা আৰু ১৫ গৰাকী তৃতীয় লিংগৰ ভোটাৰসহ মুঠ ভোটাৰ ৬,৯৭,৯৫৮ গৰাকী। একেদৰে এইবাৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা হৈছে ২,৬২২ টা। ইয়াৰে ভিতৰত ওদালগুৰি জিলাত মুঠ স্পৰ্শকাতৰ ভোটকেন্দ্ৰৰ সংখ্যা হৈছে ৪৭ টা। নিৰ্বাচনটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে এজন ৰিটাৰ্ণিং বিষয়াসহ ১২ গৰাকী সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ লগতে ৮ গৰাকী জোনেল বিষয়া, ১০৩ গৰাকী ছেক্টৰ বিষয়া আৰু ছয় সহস্ৰাধিক পোলিং বিষয়াক নিয়োগ কৰা হৈছে। সেই অনুসৰি বিষয়াসকলে আজি পুৱাৰ পৰাই জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ নিজৰ ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় যাৱতীয় সামগ্ৰী সংগ্ৰহ কৰি নিজৰ নিজৰ ভোটকেন্দ্ৰলৈ ৰাওনা হয়।

এইবেলি ৪ নম্বৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে মুঠ ১১ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰিছিল মনোনয়ন। ইয়াৰ ভিতৰত আছে ভোটাৰ্ছ পাৰ্টী ইণ্টাৰনেচনেলৰ ললিত পেগু, এছইউচিআই(চি)ৰ জীতেন্দ্ৰ চলিহা, বিপিএফৰ দুৰ্গাদাস বড়ো, গণ সুৰক্ষা পাৰ্টীৰ স্বৰ্ণ দেৱী, ৰিপাব্লিকেন পাৰ্টী অৱ ইণ্ডিয়াৰ আব্দুল কাছেম, কংগ্ৰেছৰ মাধৱ ৰাজবংশী, ভাৰতীয় গণ পৰিষদৰ বিৰেণ বাছাক, নিৰ্দলীয় প্ৰাৰ্থী ডানিয়েল মাৰ্দী, ভাৰতীয় জৱান কিষান পাৰ্টীৰ অৰুণ বৰুৱা, বিজেপিৰ দিলীপ শইকীয়া আৰু ৰাষ্ট্ৰীয় উলেমা কাউঞ্চিলৰ আব্দুল হামিদৰ নাম। কাইলৈ ইভিএমত বন্দী হ'ব এই এঘাৰগৰাকী প্ৰাৰ্থীৰ ভাগ্য। ইতিমধ্যে জিলাখনলৈ অনা হৈছে নিৰাপত্তাৰক্ষীৰ কোম্পানী। ইয়াৰোপৰি জিলাখনৰ ভিন্ন প্ৰান্তত আৰক্ষী-নিৰাপত্তৰক্ষীৰ তালাচীৰ লগতে মোৱাইল পেট্ৰলিঙৰ ব্যৱস্থা কৰা হৈছে। সমান্তৰালভাৱে স্পৰ্শকাতৰ কেন্দ্ৰসমূহত পৰ্যাপ্ত নিৰাপত্তৰক্ষীৰ ব্যৱস্থা কৰা হৈছে। এইক্ষেত্ৰত নিৰ্বাচনৰ বাবে সকলো দিশতে সাজু থকাৰ কথা উল্লেখ কৰি সকলো ৰাইজক শান্তি-শৃংখলা বজাই গণতন্ত্ৰৰ উৎসৱত অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে জিলা ৰিটাৰ্নিং বিষয়া তথা জিলা আয়ুক্ত জাভিৰ ৰাহুল সুৰেশৰ লগতে ওদালগুৰি জিলা প্ৰশাসনে।

## প্ৰদ্যুৎ বৰদলৈৰ বিৰুদ্ধে এজাহাৰ আমিনুলৰ

**ই-সংবাদ, ২৫ এপ্ৰিলঃ** নগাঁও লোকসভা সমষ্টিত কাইলৈ অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ এদিন পূৰ্বে আজি সমষ্টিটোৰ বৰ্তমানৰ সাংসদ তথা এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়োৱা কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈৰ বিৰুদ্ধে মিথ্যাচাৰৰ অভিযোগ তুলি নগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰে বিধায়ক তথা লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী আমিনুল ইছলামে। বিজেপি আৰু এ আই ইউ ডি এফে একেখন হেলিকপ্টাৰ ব্যৱহাৰ কৰা বুলি প্ৰদ্যুৎ বৰদলৈয়ে কৰা অভিযোগক খণ্ডন কৰে বিধায়কগৰাকীয়ে। প্ৰদ্যুৎ বৰদলৈৰ এনে কথাক ভিত্তিহীন আখ্যা দিয়ে এআইইউডিএফৰ প্ৰাৰ্থী গৰাকীয়ে। নিজেই বিজেপিৰ এজেণ্ট লগতে মুখ্যমন্ত্ৰীৰ সোঁহাতৰ প্ৰাৰ্থী সুৰেশ বৰা আৰু বাঁওহাতৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ বুলিও ক্ষোভ উজাৰে নগাঁও লোকসভাৰ প্ৰাৰ্থীগৰাকীয়ে। এনে ষড়যন্ত্ৰৰ বাবেই অভিযোগৰ কথা প্ৰকাশ কৰে আমিনুলে

## বিজেপি-কংগ্ৰেছৰ বিৰুদ্ধে আচৰণ বিধি উলংঘা কৰাৰ অভিযোগ

# নৰেন্দ্ৰ মোদী-ৰাহুললৈ নিৰ্বাচন আয়োগৰ জাননী, বিচাৰিলে উত্তৰ

**নতুন দিল্লী, ২৫ এপ্ৰিলঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ অভিযোগ সন্দৰ্ভত বিজেপি আৰু কংগ্ৰেছৰ পৰা উত্তৰ বিচাৰিছে নিৰ্বাচন আয়োগে। আচৰণ বিধি উলংঘা কৰাৰ অভিযোগৰ মাজতে আয়োগে বিজেপি আৰু কংগ্ৰেছলৈ জাননী প্ৰেৰণ কৰে। আয়োগে ২৯ এপ্ৰিলৰ পুৱা ১১ বজাৰ ভিতৰত দুয়োটা পক্ষক উত্তৰ দাখিল কৰিবলৈ কয়। লাভ কৰা তথ্য অনুসৰি প্ৰধানমন্ত্ৰী মোদী আৰু ৰাহুল গান্ধীৰ ভাষণ সন্দৰ্ভত নিৰ্বাচন আয়োগে এই জাননী জাৰি কৰিছে। অভিযোগ অনুসৰি, দুয়োগৰাকী নেতাই তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ ভাষণত আচৰণ বিধি মানি চলা নাছিল। উল্লেখ্য যে, লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ অন্ত পৰাৰ পিছৰে পৰাই ইজনে আনজনৰ বিৰুদ্ধে অভিযোগৰ জোৰাৰ তুলিছে। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ এক মন্তব্য বিকৃত ৰূপত উপস্থাপন কৰি কংগ্ৰেছে দেশৰ মহিলাসকলক সোণৰ অলংকাৰ কাঢ়ি নি মুছলমান আৰু। শৰণাৰ্থীৰ মাজত বিতৰণ কৰিব বুলি মন্তব্য কৰিছিল। আনহাতে কংগ্ৰেছ নেতা ছেম পিট্ৰোড্ৰাই উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা সম্পত্তিৰ ওপৰত কৰ আৰোপ কৰিবলৈ আহ্বান জনোৱা মন্তব্যকো নিৰ্বাচনী প্ৰচাৰলৈ টানি অনা দেখা গৈছে নৰেন্দ্ৰ মোদীক। একেদৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ইলেক্টৰেল বণ্ড আৰু মোদীৰ পুঁজিপতি বন্ধুৰ প্ৰসংগ টানি আনি নিৰ্বাচনী প্ৰচাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গৈছে

# তথ্য জনাৰ অধিকাৰক চৰম ভেঙুচালি শুৱালকুছি ফেশ্বন প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ

**ই-সংবাদ, শুৱালকুছি, ২৫ এপ্ৰিলঃ** কামৰূপ জিলাৰ বস্ত্ৰ নগৰী শুৱালকুছিস্থিত শুৱালকুছি ফেশ্বন প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত বিভিন্ন বিষয় সন্দৰ্ভত স্থানীয় সাংবাদিকে কৰা আৰ টি আই ৰ তথ্য প্ৰতিষ্ঠান খনৰ অধ্যক্ষ গৰাকীয়ে তথ্য জনাৰ অধিকাৰ আইন ২০০৫ ক চৰম ভেঙুচালি কৰি চাৰিমাহে তথ্য দিয়াৰ পৰা বিৰত আছে। নিৰ্ধাৰিত সময়সীমা পাৰ হোৱাৰ পিছতো চাৰিমাহে শুৱালকুছি ফেশ্বন প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অধ্যক্ষ গৰাকীয়ে বিচৰা তথ্য নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে।উল্লেখ্য দেশৰ প্ৰশাসন যন্ত্ৰক স্বচ্ছ আৰু দুৰ্নীতিমুক্ত কৰাৰ লগতে জনসাধাৰণক চৰকাৰৰ বিভিন্ন কাম-কাজৰ বিষয়ে জনাৰ সুযোগ প্ৰদান কৰাৰ বাবে ২০০৫ চনত প্ৰৱৰ্তন কৰা হৈছিল তথ্য জনাৰ অধিকাৰ আইন। নিয়ম অনুসৰি আইনখনৰ অধীনত তথ্য বিচাৰি আবেদন কৰিলে এমাহৰ ভিতৰত সেই তথ্য যোগান ধৰিব লাগে চৰকাৰৰ অধীনস্থ সংশ্লিষ্ট বিভাগে। কিন্তু শুৱালকুছি ফেশ্বন প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত ৰাজ্য চৰকাৰ তথা বিভিন্ন শিতানৰ পৰা অহা আৱন্তিত ধনৰ সন্দৰ্ভত শুৱালকুছি তিনি জনকৈ সাংবাদিকে তথ্য জনাৰ অধিকাৰ আইন ২০০৫ চনৰ জৰিয়তে ৩/১১/২৩ ইং তাৰিখে এখন আবেদন কৰা হৈছিল। কিন্তু চাৰিমাহ পাৰহৈ যোৱাৰ পিছতো প্ৰতিষ্ঠান খনৰ অধ্যক্ষ গৰাকীয়ে কোনো তথ্য প্ৰদান কৰা নাই আবেদনকাৰী সাংবাদিক কেইজনক। এই সন্দৰ্ভত আবেদনকাৰীয়ে কামৰূপ আয়ুক্ত গৰাকীক লিখিত অভিযোগ দিছিল। কামৰূপ আয়ুক্তই অধ্যক্ষ গৰাকীক অতি কম দিনৰ ভিতৰত তথ্য জনাৰ অধিকাৰ আইন ২০০৫ চনৰ জৰিয়তে বিচৰা তথ্য সমুহ প্ৰদান কৰিবলৈ লিখিত নিৰ্দেশনা দিছিল যদিও আজিলৈকে আবেদকাৰীয়ে কোনো ধৰণৰ তথ্য পোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে। চাৰি মাহ উকলি যোৱাৰ পিছতো কিহৰ বাবে এগৰাকী দায়িত্বশীল অধ্যক্ষই তথ্য জনা অধিকাৰ আইন ২০০৫ ক ভেঙুচালি কৰিছে সেয়া এক ৰহস্যৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত আবেদনকাৰীয়ে ৰাজ্যিক তথ্য আয়ুক্ত বিষয়াক অভিযোগ দাখিল কৰিব বুলিও জানিবলৈ দিছে

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক ।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

শেষ পৃষ্ঠা

## আজি ভোটগ্ৰহণ

# প্ৰশাসনৰ প্ৰণালীবদ্ধ ব্যৱস্থাৰ শলাগ ভোটগ্ৰহণকাৰী দলৰ

**ই-সংবাদ, মৰিগাঁও, ২৫ এপ্ৰিলঃ** কাইলৈ লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ত ৯ নং নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচন জিলাৰ ৫২ নং জাগীৰোড, ৫৩ নং লাহৰীঘাট আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে মৰিগাঁও জিলা প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। আজি মৰিগাঁও জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান খেলপথাৰৰ পৰা ই ভি এম আৰু অন্য প্ৰয়োজনীয় সামগ্ৰী লৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলকে ধৰি ভোটগ্ৰহনকাৰী দলসমূহ নিজ নিজ কেন্দ্ৰত উপস্থিত হৈছে। আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহনকাৰী দলসমূহে অতি শৃংখলিতভাৱে নিজ নিজ সামগ্ৰীসমূহ সংগ্ৰহ কৰে। প্ৰশাসনৰ প্ৰণালীবদ্ধ ব্যৱস্থাৰ বাবেই ডিকডিং কেন্দ্ৰত হোৱা ভিৰ যথেষ্ট লাঘৱ হোৱা পৰিলক্ষিত হয়। ভোটগ্ৰহণকাৰী দলসমূহে জিলা প্ৰশাসনে অতি নিয়াৰিকৈ সম্পন্ন কৰা সকলো ব্যৱস্থাৰ লগতে খাদ্যৰ মান আৰু খাদ্য যোগানৰ শৃংখলিত ব্যৱস্থাৰ শলাগ লয়। মৰিগাঁৱৰ গছবাৰী খেলপথাৰৰ পৰা ৰাওনা হোৱা মৰিগাঁও বিধানসভা সমষ্টিৰ ভোটগ্ৰহণকাৰী প্ৰথমটো দলক গামোচা পিন্ধাই শুভেচ্ছা জ্ঞাপন কৰে ৯ নং নগাঁও লোকসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক এইচ বাসৱৰাজেন্দ্ৰ আৰু জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশীষ শৰ্মাই। ইয়াৰ উপৰি সামগ্ৰী বিতৰণ কেন্দ্ৰ চৌহদত অৰ্থাৎ মৰিগাঁও জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত ভোটগ্ৰহণকাৰী দলসমূহক গীত-নৃত্যৰে এক উৎসৱমুখৰ পৰিৱেশত শুভেচ্ছা জ্ঞাপন কৰা হয়। তিৱা লোক নৃত্য, আকৰ্ষণীয় বাঁহী বাদন, বিহু আৰু বিভিন্ন লোকনৃত্যৰে কেন্দ্ৰটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰা হয়।

# ধনশিৰিলৈ গৌৰৱ কঢ়িওৱা দৰ্শিতাক সম্বৰ্ধনা

**ই-সংবাদ, সৰুপথাৰ, ২৫ এপ্ৰিলঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰ বৰপাভজান গাঁৱৰ নিবাসী অপূৰ্ব দত্ত আৰু ৰিজুমণি দত্তৰ কন্যা দৰ্শিতা দত্তই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ধনশিৰি মহকুমাৰ ভিতৰত ৫৬৭ নম্বৰ লাভেৰে শীৰ্ষস্থান অধিকাৰ কৰি মহকুমাটোলৈ গৌৰৱ কঢ়িয়াই আনে। আজি অসমৰ মফচলীয় সাংবাদিকসকলৰ অন্যতম সংগঠন আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন আপকু'ৰ ধনশিৰি মহকুমা সমিতিৰ এটা প্ৰতিনিধি দল দৰ্শিতা দত্তৰ বাসগৃহলৈ গৈ দৰ্শিতাক ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত আপকু'ৰ প্ৰতিনিধি দলটোৱে দৰ্শিতাৰ পিতৃ মাতৃকো শুভেচ্ছা জ্ঞাপন কৰে। সম্বৰ্ধনা অনুষ্ঠানত আপকু' ধনশিৰি মহকুমা সমিতিৰ সভাপতি তুলসী চুতীয়া, সম্পাদক অনুজ বৰা, প্ৰাক্তন সভাপতি হেমন্ত কুমাৰ মহন্ত, বিপুল শৰ্মা, কোষাধ্যক্ষ বিবেকানন্দ দত্ত আৰু কাৰ্যনিৰ্বাহক সদস্য দেৱাশীষ শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত ধনশিৰি মহকুমাৰ বিশিষ্ট সমাজকৰ্মী ভুৱন দত্ত, সাংস্কৃতিক কৰ্মী তৰুণ শৰ্মাও উপস্থিত থাকে।

# কলাইগাঁৱৰ সম্ভাৱনাময় সংগীত শিল্পী পঞ্চমী সৰকাৰ

**ঐকান্তিক** প্ৰচেষ্টাৰে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে হেলাৰঙে আগুৱাই যাবলৈ সক্ষম হোৱা এগৰাকী উদীয়মান শিল্পী। নাম পঞ্চমী সৰকাৰ। ওদালগুৰি জিলাৰ কলাইগাঁৱৰ সমীপৱৰ্তী শিংৰামাৰী পালপাৰাৰ নৰোত্তম সৰকাৰ আৰু অঞ্জলি সৰকাৰৰ কন্যা পঞ্চমী সৰকাৰ বৰ্তমান মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতক শ্ৰেণীত অধ্যয়নৰত। সৰুৰে পৰা সংগীতৰ প্ৰতি ধাউতি থকা পঞ্চমীয়ে প্ৰথমে কলাইগাঁও সংগীত মহাবিদ্যালয়ৰ পৰা শাস্ত্ৰীয় সংগীতৰ বিশাৰদত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। পিছলৈ ২০১৫ চনত এলাহাবাদৰ প্ৰয়োগ সংগীত সমিতিৰ দ্বাৰা অনুষ্ঠিত সংগীতৰ বিশেষ পৰীক্ষাত ডিষ্টিংছনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এইগৰাকী প্ৰতিভাৱান পঞ্চমী সৰকাৰে অসমীয়াৰ লগতে হিন্দী, বাংলা, পাঞ্জাৱী, সংস্কৃত আদি বিভিন্ন ভাষাৰ গীত পৰিৱেশন কৰিও সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। সৰুৰে পৰা মিতব্যয়ী স্বভাৱৰ পঞ্চমীয়ে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক ঘৰতে টিউচন কৰি উপাৰ্জিত ধনেৰে নিজৰ লাগতিয়াল বয়-বস্তু ক্ৰয় কৰে। বিশেষকৈ সংগীতৰ প্ৰতি থকা শ্ৰদ্ধাসুলভ মনটোৰ বাবে টিউচন কৰি উপাৰ্জিত ধনেৰে এটি গীটাৰ ক্ৰয় কৰি পিছলৈ গীটাৰৰ আনুষ্ঠানিক প্ৰশিক্ষণো গ্ৰহণ কৰে। এনে বহু স্বকীয় শৈলীয়ে নিজকে নিয়োজিত কৰিবলৈ সক্ষম হোৱা পঞ্চমী সৰকাৰ আজিৰ প্ৰজন্মৰ বাবে এক আদৰ্শ আৰু সম্ভাৱনাৰ উজ্জ্বল নিদৰ্শন। পঞ্চমীয়ে এই বৰ্ষত গুৱাহাটীৰ সপ্তক সংগীত মহাবিদ্যালয়ে উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত আয়োজন কৰা সংগীত প্ৰতিযোগিতাৰ গজল শিতানত প্ৰথম স্থান আৰু ৰাভা সংগীতত তৃতীয় স্থান লাভ কৰিবলৈয়ো সক্ষম হয়। তদুপৰি অসম চৰকাৰে আয়োজন কৰা অসম



সাংস্কৃতিক মহাসংগ্ৰামৰ বিভিন্ন শিতানত অংশগ্ৰহণ কৰি ৰাজ্যিক পৰ্যায়লৈয়ো বাছনি হয়। তদুপৰি জিলা পৰ্যায়ৰ ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিবলৈয়ো সক্ষম হয়। সাংস্কৃতিক ক্ষেত্ৰখনৰ দৰে সাহিত্য ক্ষেত্ৰখনৰ প্ৰতিও পঞ্চমী আগ্ৰহী। সৰুৰে পৰা পঞ্চমীয়ে গল্প, কবিতা, প্ৰবন্ধ আদি লিখাৰ উপৰিও কবিতা আবৃত্তি কৰি ভাল পায়। ২০২৪ চনৰ সদৌ অসম ছাত্ৰ সন্থাই দৰং জিলাত অনুষ্ঠিত কৰা কেন্দ্ৰীয় শিল্পী দিৱসৰ কবিতা আবৃত্তি প্ৰতিযোগিতাত পঞ্চমী সৰকাৰে প্ৰথম স্থান লাভ কৰে। এনে এগৰাকী সম্ভাৱনাময় নবীন শিল্পী পঞ্চমী সৰকাৰ যে অনাগত দিনত অসমৰ সাংস্কৃতিক আৰু সাহিত্য ক্ষেত্ৰখনত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হ'ব সেয়া আমি নিঃসন্দেহে আশা কৰিব পাৰো।

■ উৎপল ভৰদ্বাজ

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান